# 2016

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×৭=৭

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালক 'ভাৰত-ইউৰোপীয়' নামেৰে নামকৰণ কৰা ভাষাতত্ত্ববিদগৰাকীৰ নাম কি?

(খ) জাৰ্মানীয় শাখাৰ কোনটো ভাষাই আন্তঃৰাষ্ট্ৰীয় ভাষাৰ স্থান অধিকাৰ কৰিছে?

(গ) বৰৰুচিয়ে ৰচনা কৰা প্ৰাকৃত ব্যাকৰণখনৰ নাম কি?

(ঘ) প্ৰাচীন কামৰূপৰ তামৰ ফলিৰ ভাষাক পণ্ডিতসকলে কি প্ৰাকৃত ভাষা নামেৰে অভিহিত কৰিছে?

(ঙ) উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ এটা ভাষাৰ নাম লিখা।

(চ) গ্ৰীয়াৰ্ছনে কোন অঞ্চলৰ ভাষাক 'ৰাজবংশী' বুলি নামকৰণ কৰিছিল?

(ছ) 'ৰসগোল্লা' শব্দটো অসমীয় ভাষালৈ কোন ভাষাৰ পৰা আহিছে?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ প্ৰধান ভাগ কেইটা আৰু কি কি?

(খ) প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশৰ স্তৰ কেইটা আৰু কি কি?

(গ) দেবানন্দ ভঁৰালীয়ে অসমীয়া প্ৰাকৃতক কেইটা ভাগত ভাগ কৰিছে আৰু সেইকেইটা কি কি?

(ঘ) 'দেশী ভাষা' সম্পৰ্কে চমুকৈ লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ নামকৰণৰ তাৎপৰ্য সম্পৰ্কে আলোচনা কৰা।

(খ) সংস্কৃতৰ ঋ-ধ্বনিৰ পালি ভাষাত কেনেদৰে পৰিৱৰ্তন ঘটিছে, উদাহৰণসহ লিখা।

(গ) মাগধীয় ভাষাৰ ভিতৰত কি কি ভাষাক সামৰি লোৱা হয়? অসমীয়া ভাষাৰ লগত অন্যান্য কি কি মাগধীয় ভাষাৰ সম্পৰ্ক আছে, বুজাই লিখা।





(ঘ) কামৰূপী উপভাষাত অপিনিহিতিৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

(ঙ) অসমত প্ৰচলিত যি কোনো এটা নৃগোষ্ঠীয় উপভাষাৰ বিষয়ে চমুকৈ লিখা।

৪। (ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ জন্মস্থান সম্পৰ্কে ভাষাবিজ্ঞানীসকলৰ অভিমত দাঙি ধৰি এই ভাষা-পৰিয়ালটোৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰা। ১০

*অথবা*

(খ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ পৰা পালি-প্ৰাকৃত-অপভ্ৰংশৰ বিকাশ কেনেদৰে হৈছিল? নিদৰ্শনসহ আলোচনা কৰা।

৫। (ক) অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বত তিব্বত-বৰ্মী ভাষাৰ কেনেধৰণৰ প্ৰভাৱ পৰিছে, ফঁহিয়াই লিখা।

৬। (ক) মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দমালাৰ সমৃদ্ধিত থলুৱা ভাষাসমূহৰ বৰঙণি সম্পৰ্কে বিৱৰি লিখা।

★★★